# আতংকবাদীৰ কাল : ক্ৰুইছ মিছাইল

- সুনয়ন বৰকাকতী, দ্বাদশ শ্ৰেণী, বিশ্বনাথ মহাবিদ্যালয়

📚 time to read: 3 minutes

ক্ৰুইছ মিছাইল হৈছে মানৱবিহীন স্বয়ং চালিত ( লক্ষ্যত আঘাত কৰা পৰ্যন্ত) নিৰ্দেশিত যান যিয়ে বায়ু গতিবিজ্ঞানৰ সূত্ৰৰ আধাৰত উৰন কাৰ্য সম্পন্ন কৰে। ইয়াৰ প্ৰাথমিক কাৰ্য হৈছে পূৰ্ব নিৰ্ধাৰিত লক্ষ্যত আঘাত কৰি বিপদৰ পৰা উদ্ধাৰ কৰোৱা। এই মিছাইল সমূহে পৃথিৱীৰ বায়ুমণ্ডলৰ ভিতৰত থাকি নিজ কাৰ্য সম্পন্ন কৰিব পৰাৰ ক্ষমতা লাভ কৰে জেট প্ৰযুক্তিৰ জৰিয়তে। এই মিছাইল সমূহৰ গতিবেগ আৰু লক্ষ্যত আঘাত কৰিব পৰা ক্ষমতা বিভিন্ন ধৰণৰ হ'ব পাৰে। ক্ৰুইছ মিছাইল সমূহৰ নিম্নোক্ত ধৰণে শ্ৰেণীবিভাজন কৰা হয় :

- আকাৰ
- গতিবেগ ( অৱশাব্দিক বা অতিশাব্দিক )
- দূৰত্ব আৰু
- উৎক্ষেপনস্থলী ( ভূমি,বায়ু, জাহাজ পৃষ্ঠ অথবা ছাবমেৰিন )

গতিবেগৰ ওপৰত ভিত্তি কৰি এই মিছাইল সমূহ তলত উল্লেখ কৰা ধৰণে ভাগ কৰা হৈছে:

১) ছাবচনিক

২) ছুপাৰচনিক

৩) হাইপাৰচনিক

ছাবচনিক ক্ৰুইছ মিছাইল

এই শ্ৰেণীৰ মিছাইল সমূহে শব্দতকৈ কম বেগেৰে উৰিব পাৰে। এই সমূহৰ গতিবেগ হৈছে প্ৰায় ০.৮ মেক (১ মেক= ১২৩৪.৮ কিমি./ঘন্টা)। বৰ্তমান সুপৰিচিত ছাবচনিক মিছাইলবিধ হৈছে আমেৰিকান টমহ'ক্ ক্ৰুইছ মিছাইল। তদুপৰি আন দুটা মিছাইল হৈছে হাৰপুন (ইউ.এছ.এ), এক্স'ছেট (ফ্ৰান্স)।

ছুপাৰচনিক ক্ৰুইছ মিছাইল

এই শ্ৰেণীৰ মিছাইল সমূহৰ ২-৩ মেক গতিবেগত উৰিব পৰাৰ ক্ষমতা আছে, যিয়ে এক ছেকেণ্ডত প্ৰায় এক কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰিব পাৰে। ইয়াৰ গঠনশৈলী আৰু বিভিন্ন ধৰণৰ লক্ষ্য ভেদ কৰিব পৰা ক্ষমতাৰ বাবে ইয়াক বিভিন্ন ষ্টেচনৰ পৰা উৎক্ষেপন কৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ অতিশাব্দিক গতিবেগ আৰু ৱাৰহে'ড্ ভৰৰ সংযোজনে এক উচ্চগতিশক্তি সম্পন্ন আৰু বিধ্বংসী অস্ত্ৰ হিচাপে পৰিগণিত কৰিছে। ব্ৰহ্মছ হৈছে পৃথিৱীৰ একমাত্ৰ ছুপাৰচনিক ক্ৰুইছ মিছাইল যি বৰ্তমান প্ৰতিৰক্ষা বিভাগত কৰ্মৰত অৱস্থাত আছে ।

হাইপাৰচনিক ক্ৰুইছ মিছাইল

এই শ্ৰেণীৰ ক্ৰুইছ মিছাইল সমূহৰ গতিবেগ হৈছে ৫ মেকৰ তাতোধিক। পৃথিৱীৰ বহু দেশে বৰ্তমান এই মিছাইল বিকাশ কৰাৰ বাবে কাম কৰি আছে। ব্ৰহ্মছ এৰ'স্পেছয়েও ব্ৰহ্মছ-২ নামৰ হাইপাৰচনিক মিছাইল বিকাশৰ বাবে নিৰন্তৰ কাম কৰি আছে, যিয়ে ৫ মেকতকৈ অধিক বেগত গতি কৰিব পাৰিব।

ক্ৰুইছ মিছাইল সমূহে এখন দেশৰ প্ৰতিৰক্ষাৰ দিশটো অধিক শক্তিশালী কৰি তুলিছে। আতংকবাদৰ পৰা জনতাক ৰক্ষা কৰিবলৈ প্ৰত্যেক দেশে চেষ্টা কৰি আহিছে আৰু নতুন নতুন প্ৰযুক্তিৰ সহায়ত প্ৰতিৰক্ষাৰ দিশটো আৰু আগুৱাই নিছে।

দুষ্টক দমন কৰি পৃথিৱীলৈ শান্তি নমাই আনিবলৈ বিজ্ঞানৰ অৱদান সমূহে সদায় সহায় কৰিব। পৃথিৱীত সংঘটিত হৈ থকা দুষ্কাৰ্য্য সমূহৰ বাবে কিছুমান মানুহে কেৱল বিজ্ঞানক জগৰীয়া কৰে! এইয়া দূৰ্ভাগ্যজনক। কিয়নো এই দুষ্কাৰ্য্যসমূহৰ মূলতে হৈছে বেয়া মানসিকতা,বিজ্ঞান নহয় !